**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 01-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ৰাজনৈতিক দলসমূহে পৰ্যায়ক্ৰমে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ পাছত প্ৰচাৰে বিশেষত্ব লাভ কৰিছে। অৱশ্যে প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা সকলৰ মাজত ক্ষোভৰ সৃষ্টি হোৱাত দলীয় নেতাৰ বিৰুদ্ধে মুকলি বিদ্ৰোহো আৰম্ভ হৈছে। মিত্ৰদল ইউ পি পি এলৰ সৈতে বন্ধুত্বপূৰ্ণভাৱে প্ৰতিদ্বন্দ্বিতা কৰা বুলি ঘোষণা কৰা বিজেপিয়ে কালি সন্ধিয়া ২৮ জনীয়া দলৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি এখন সংবাদমেলযোগে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ৰাজহুৱা কৰাৰ লগতে আজি বিজেপিৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি সদৰি কৰিছে। সভাপতি শ্ৰীশইকীয়াই প্ৰকাশ কৰা মতে দলৰ নিৰ্বাচন সমিতিয়ে বিটিআৰৰ প্ৰতিটো সমষ্টিত বিজেপিৰ সাংগঠনিক শক্তি, জয়ৰ সম্ভাৱনা, ৰাজনৈতিক দৃষ্টিকোণ তথা সমীকৰণৰ সকলো কথা বিবেচনা কৰি প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰে।

কংগ্ৰেছ দলে কালি পুনৰ ৯টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে ইতিমধ্যে ৪০টা সমষ্টিৰ বাবে প্ৰাৰ্থী চূড়ান্ত কৰি তেওঁলোকৰ নাম ৰাজহুৱা কৰিছে।

ইপিনে ইউ পি পি এল দলে কালি ১৬টা পৰিষদীয় সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দলটোৱে প্ৰথমখন তালিকাত প্ৰকাশ কৰা ১৮ জন প্ৰাৰ্থীকে ধৰি বৰ্তমানলৈকে মুঠ ৩৬ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অসম গণ পৰিষদ দলেও কালি বিটিআৰ নিৰ্বাচনৰ ৪টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে।

বিপিএফে কালি সন্ধিয়া দলৰ তৃতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। এই তালিকা অনুসৰি ১৪ নম্বৰ চিৰাং দুৱাৰ পৰিষদীয় সমষ্টিত বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা দলটোৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ৰাইজৰ দলে এই নিৰ্বাচনৰ বাবে চাৰিজনীয়া প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। দলটোৱে দিহিৰা, মুছলপুৰ, খালিংদুৱাৰ আৰু মাদিবাৰী সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। উল্লেখযোগ্য যে বিটিআৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ দিন কাইলৈ অন্ত পৰিব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন কৰিব। শ্ৰী সোণোৱালে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ডং যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰিব। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰৰ সাংসদ পুঁজিৰে নিৰ্মাণ কৰা এটা শৰীৰ চৰ্চা কেন্দ্ৰ আৰু খোৱাপানী প্ৰকল্প উদ্বোধন কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ত পি এম স্বনিধি আঁচনি শীৰ্ষক এটা অনুষ্ঠানত অংশ লৈ কয়, যে এই আঁচনিৰ মূল লক্ষ্য হৈছে পদপথৰ ব্যৱসায়ীসকলক সকাহ দিয়াৰ উপৰি মহিলা সৱলীকৰণৰ পথ প্ৰশস্ত কৰা। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত সকলো স্তৰৰ ৰাইজে বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে লাভান্বিত হৈ বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ যাত্ৰাৰ অংশীদাৰ হৈছে।

শ্ৰী সোণোৱালে পি এম স্বনিধি আঁচনিৰ সুবিধা লাভ কৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সৈতেও মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জিলাখনৰ মিলন নগৰত এটা জনঔষধী কেন্দ্ৰ মুকলি কৰে। তেওঁ কয়, যে জনসাধাৰণক সুলভ মূল্যত জেনেৰিক ঔষধ যোগান ধৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী পৰিযোজনাৰ অধীনত এই কেন্দ্ৰসমূহ আৰম্ভ কৰা হৈছে। বৰ্তমান দেশত ১৭ হাজাৰ এনে কেন্দ্ৰই জনসাধাৰণক সুলভ মূল্যত ঔষধ প্ৰদান কৰি আহিছে বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে।

০০০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কাইলৈ গুৱাহাটীত এখন কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত হ'বলগীয়া এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্‌ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্‌ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০

**সমাপ্ত**